بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ  نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ  وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৮ চনৰ ২৩ নৱেম্বৰত মছজিদ বায়তুল ফতুহ মৌৰডনৰ (বৰতানিয়াত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আজিৰ পৰা মই আকৌ বদৰি চাহাবা সকলৰ বিষয়ে আলোচনা কৰিম। প্ৰথমে যিজন চাহাবাৰ বিষয়ে আলোচনা কৰিম সেই জন হ'ল হজৰত ছুনান বিন আবি ছুনান। বদৰৰ যুদ্ধ আৰু যিমানবোৰ যুদ্ধ আঁহজৰত (ছাঃ) য়ে কৰিব লগা হৈছিল, সকলো যুদ্ধতে এখেত (ৰাঃ) য়ে সহযোগ কৰিছিল। বয়াতে ৰিজুয়ানত সৰ্ব প্ৰথম কোনে বয়াত কৰিছিল এই বিষয়ে মতানৈক্য আছে। কিন্তু ওয়াকদিৰ মতে হজৰত ছুনান বিন আবি ছুনান সৰ্ব প্ৰথম বয়াত কৰিছিল। বয়াতে ৰিজুয়ানত যেতিয়া আঁহজৰত (ছাঃ) য়ে লোকৰ বয়াত লবলৈ আৰম্ভ কৰিছিল। তেতিয়া হজৰত ছুনান (ৰাঃ) য়ে প্ৰথমে হাত বঢ়াই দিছিল যে মোৰ বয়াত লওঁক। তেতিয়া ৰছুলে কৰিম (ছাঃ) য়ে কৈছিল যে কি উদ্দেশ্যৰে বয়াত কৰি আছা ? হজৰত ছুনান (ৰাঃ) য়ে উত্তৰ দিছিল যে মক্কা বিজয় হোৱা নাইবা শ্বাহাদত লাভ কৰা। তেতিয়া আন আন লোক সকলেও কবলৈ লৈছিল যে আমিও এই উদ্দেশ্যই কৰি আছো, যাৰ নিমিত্তে হজৰত ছুনান (ৰাঃ) বয়াত কৰিছে। হজৰত ছুনান (ৰাঃ) কাবাৰ মোহাজেৰিন চাহাবা সকলৰ এজন আছিল। তালিহা বিন খোয়েলিদ নবুয়তৰ দাবী কৰিছিল। সকলোৰে আগত হজৰত ছুনান (ৰাঃ) য়ে ৰছুলুল্লাহ (ছাঃ) ক পত্ৰ যোগে খবৰ দিছিল, যেতিয়া তেওঁ বনু মালিক সকলৰ হাকিম আছিল।

আন এজন চাহাবা আছিল হজৰত মুহাজা (ৰাঃ)। এখেতে হজৰত উমৰৰ দাস আছিল। বদৰৰ যুদ্ধত সৰ্ব প্ৰথম মুহাজা (ৰাঃ) শ্বহীদ হৈছিল। তেখেত (ৰাঃ) প্ৰথম মোহাজেৰিন আছিল। হজৰত ছঈদ বিন মাছিব উল্লেখ কৰিছে যে হজৰত মুহাজা (ৰাঃ) শ্বহীদ হোৱাৰ সময়ত মুখত এই শব্দবোৰ আছিল "আনা মুহাজা ওয়া ইলাৰাবৱি ৰাজিউন" অৰ্থাৎ মই মুহাজ আৰু নিজৰ পৰোৱাৰ দিগাৰৰ ফালে ঘুৰি গৈ আছো।

আকৌ আন এজন চাহাবী আছিল হজৰত আমৰ বিন মুখলিদ (ৰাঃ)। বদৰৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল। অহুদৰ যুদ্ধত শ্বাহাদত বৰণ কৰিছিল। আন এজন চাহাবী আছিল হজৰত হাতিব বিন ওমৰ বিন আবদি স্বামছ (ৰাঃ)। আঁহজৰত (ছাঃ) য়ে দাৰে আৰকামলৈ অহাৰ আগতেই তেখেত (ৰাঃ) য়ে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) ৰ তবলিগত ইছলাম গ্ৰহন কৰিছিল। হাবশালৈ দুবাৰ হিজৰত কৰিছিল। এটা ৰোৱায়েতত আছে যে প্ৰথম হিজৰত অৰ্থাৎ হিজৰতে উলাত যিজন ব্যক্তি সৰ্ব প্ৰথম হাবশালৈ আহিছিল, তেখেত আছিল হজৰত হাতিব বিন ওমৰ বিন স্বামছ (ৰাঃ) । বদৰ যুদ্ধত তেখেত (ৰাঃ) য়ে নিজৰ ভাই হজৰত ছালিদ বিন ওমৰক লগত লৈ অংশ গ্ৰহন কৰিছিল আৰু অহুদৰ যুদ্ধতও অংশ গ্ৰহন কৰিছিল। আঁহজৰত (ছাঃ) য়ে হজৰত হাতিব (ৰাঃ) ক হজৰত ছওদা (ৰাঃ) ৰ লগত বিবাহ পাতি দিছিল। বয়াতে ৰিজুয়ানতত অংশ গ্ৰহন কৰিছিল।

আন এজন চাহাবী আছিল হজৰত আবু হুজায়মাহ বিন অউজ (ৰাঃ)। তেখেত (ৰাঃ) য়ে বদৰৰ যুদ্ধ, অহুদৰ যুদ্ধ আদি কৰি সকলো যুদ্ধতে আঁহজৰত (ছাঃ) ৰ লগত অংশ গ্ৰহন কৰিছিল। হজৰত উচমান (ৰাঃ) ৰ খিলাফত কালত তেখেত (ৰাঃ) ৰ মৃত্যু হৈছিল। আন এজন চাহাবী আছিল হজৰত তামিম মওলা খৰাচ (ৰাঃ)। তেখেত (ৰাঃ) য়ে বদৰৰ যুদ্ধ, অহুদৰ যুদ্ধত যোগদান কৰিছিল। আকৌ হজৰত মনজৰ বিন কাদামা এজন চাহাবী আছিল। এখেত (ৰাঃ) য়ে বদৰ আৰু অহুদৰ যুদ্ধত অংশ লৈছিল। আন এজন চাহাবীৰ নাম আছিল হজৰত হাৰিছ বিন হাতব। হজৰত হাৰিছ বিন হাতব আৰু হজৰত আবু লবাবা বিন আব্দুল মনজৰ হুযুৰ (ছাঃ) ৰ লগত বদৰৰ যুদ্ধ প্ৰান্তলৈ গৈ আছিল, যেতিয়া ৰওহা নামৰ ঠাইত গৈ উপস্থিত হৈছিল তেতিয়া আঁহজৰত (ছাঃ) য়ে হজৰত আবু লবাবা বিন হাতাবক কবিলা বনু ওমৰ বিন অউফৰ আমিৰ নিযুক্ত কৰি মদিনালৈ ঘুৰাই পঠাইছিল। কিন্তু সিঁহত দুয়ো জনকে বদৰৰ যুদ্ধৰ অংশীদাৰ হিচাপে মালে গণিমতৰ (যুদ্ধত প্ৰাপ্ত হোৱা মাল) অংশ দিছিল। হজৰত হাৰিছ বিন হাতব (ৰাঃ) য়ে যুদ্ধ বদৰ, অহুদ, খন্দক আৰু বয়াতে

ৰিজুয়ানত আঁহজৰত (ছাঃ) ৰ লগত অংশ গ্ৰহন কৰাৰ সৌভাগ্য লাভ কৰিছিল। খয়বৰ যুদ্ধত ৰণ থকা অৱস্থাত এজন ইহুদীয়ে দুৰ্গাৰ ওপৰৰ পৰা তীৰ নিক্ষেপ কৰিছিল, সেই তীৰ আহি হজৰত হাৰিছ বিন হাতাবৰ মূৰত লগাত তেখেত (ৰাঃ) য়ে শ্বাহাদত বৰণ কৰিছিল।

হজৰত ছাআলবা বিন জায়েদ এজন চাহাবী আছিল। আনছাৰৰ কবিলা বণু খজৰজৰ সৈতে তেখেতৰ সম্পৰ্ক আছিল। বদৰৰ যুদ্ধত তেখেত (ৰাঃ) য়ে অংশ গ্ৰহন কৰিছিল। তেখেত (ৰাঃ) বৰ সাহসী আৰু উচ্চ সম্পন্ন শক্তিৰ মালিক আছিল। হজৰত উকবা বিন ওৱাহেৰ এজন চাহাবী আছিল। যুদ্ধ বদৰ, অহুদ আৰু খন্দকৰ যুদ্ধ আদি কৰি সকলো যুদ্ধতেই তেখেত (ৰাঃ) য়ে আঁহজৰত (ছাঃ) ৰ হৈ ৰণ দিছিল। মদিনাত ইহুদী সকলৰ দল এটা আঁহজৰত (ছাঃ)ক লগ ধৰিবলৈ আহিছিল। তেখেত (ৰাঃ) য়ে সেই দলৰ লোক সকলক তবলিগ কৰিছিল। কিন্তু তেওঁলোকে সেয়া অস্বীকাৰ কৰিছিল। তেতিয়া যিবিলাক চাহাবায় সেই ইহুদী সকলক বৰকৈ সমালোচনা কৰিছিল তাৰ ভিতৰত হজৰত উকবা বিন ওৱাহেবেও উপস্থিত আছিল। আন এজন চাহাবী আছিল হজৰত হাবিব বিন আছুদ (ৰাঃ) । তেখেত (ৰাঃ) য়ে বদৰৰ যুদ্ধ আৰু অহুদৰ যুদ্ধত যোগদান কৰিছিল।

ইয়াৰ পিছত আন এজন চাহাবী আছিল হজৰত হাশিমা আনছাৰী (ৰাঃ)। তেখেত (ৰাঃ) য়ে একেধাৰে যুদ্ধ বদৰ, অহুদ, খন্দক আদি কৰি সকলো যুদ্ধতেই নবী কৰিম (ছাঃ) ৰ হৈ যুদ্ধ কৰিছিল। তেখেত (ৰাঃ) য়ে হজৰত মোৱাবিয়া বিন আবি ছুফীয়ানৰ সময় কালত মৃত্যু বৰণ কৰিছিল। আকৌ হজৰত ৰফিয়া বিন হাৰিছ নামৰ এজন চাহাবী আছিল। তেখেতৰ যুদ্ধ বদৰ, খন্দক, অহুদ আদি কৰি সকলো যুদ্ধতেই আঁহজৰত (ছাঃ) ৰ লগত থাকি ৰণ দিছিল। হজৰত ওচমান (ৰাঃ) ৰ খিলাফত কালত তেখেত (ৰাঃ) ৰ মৃত্যু হৈছিল। আন এজন চাহাবী আছিল হজৰত ৰখিলা বিন শ্বোবলা আনছাৰি (ৰাঃ) । এখেত বদৰি চাহাবী আছিল। বিভিন্ন ধৰণে তেখেতৰ নাম বৰ্ণনা কৰা হৈছে। বদৰৰ যুদ্ধ, অহুদৰ যুদ্ধত যোগদান কৰিছিল। চফিনৰ যুদ্ধত হজৰত আলি (ৰাঃ) ৰ লগত আছিল।

হজৰত জাবেৰ বিন আব্দুল্লাহ বিন ৰিয়াব এজন চাহাবী আছিল। হজৰত জাবেৰ (ৰাঃ) ক সেই ছয়জন ব্যক্তিৰ মাজত চিহ্নিত কৰা হয়, যি সকলে আনছাৰৰ মাজত সৰ্ব প্ৰথম মক্কাত ইছলাম গ্ৰহন কৰিছিল। হজৰত জাবেৰ (ৰাঃ) য়ে সকলো যুদ্ধতেই ৰছুলে কৰিম (ছাঃ) ৰ লগত যোগদান কৰিছিল। তেখেত (ৰাঃ) য়ে ৰছুলুল্লাহ (ছাঃ) ৰ পৰা হদীছও বৰ্ণনা কৰিছে। বয়াতে উকবা উলাত আনছাৰৰ মাজত প্ৰথমে এখেত (ৰাঃ) য়েই ইছলাম গ্ৰহন কৰিছিল।

হজৰত ছাবিত বিন ইকৰাম বিন ছাআলবা নামৰ এজন চাহাবী আছিল । তেখেত (ৰাঃ) য়ে বদৰৰ পৰা আৰম্ভ কৰি সকলো যুদ্ধতেই ৰছুলে কৰিম (ছাঃ) ৰ লগত যোগ দি যুদ্ধ কৰিছিল। মুতাৰ যুদ্ধত হজৰত আব্দুল্লাহ বিন ৰওৱাহাৰ শ্বাহাদতৰ পিছত ইছলামী পতাকা হজৰত ছাবিত বিন ইকৰাম (ৰাঃ) য়ে উঠাই লৈছিল। লগতে কৈছিল হে মুছলান সকল, নিজৰ মাজৰ পৰা কোনো এজনক নিজৰ নেতা বনাই লোৱা। ইতিহাসত উল্লেখ আছে যে মুতাৰ যুদ্ধৰ সময়ত যেতিয়া মুছলমান সকলে শত্ৰু সৈন্য দেখিছিল, সিঁহতৰ সংখ্যা আৰু যুদ্ধ সৰঞ্জাম দেখি অনুমান কৰিছিল সেই সৈন্যৰ মোকাবেলা কৰা অসম্ভৱ। হজৰত আবু হুৰায়েৰা (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে শত্ৰু সৈন্য চাই চকু কপালত উঠি গৈছিল, তেতিয়া হজৰত ছাবিত বিন ইকৰাম (ৰাঃ) য়ে মোক কৈছিল যে হে আবু হুৰায়েৰা তোমাৰ অৱস্থা এনে লাগিছে, যেনিবা তুমি বহু ডাঙৰ সৈন্য দল দেখিবলৈ পাইছা। মই উত্তৰ দিছিলো হয়। তেতিয়া হজৰত ছাবিত (ৰাঃ) য়ে কৈছিল তুমি আমাৰ লগত বদৰৰ যুদ্ধত অংশ গ্ৰহন কৰা নাছিলা নে ? তাত আমাৰ সংখ্যা কম হোৱা সত্বেও বিজয় লাভ কৰা নাছিলো নে ? বৰং সেয়া আল্লাহৰ কৃপাত বিজয়ী হৈছিলো, ইয়াতো তেনেই হ'ব।

হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ খিলাফত কালত হজৰত খালিদ বিন অলিদৰ সৈতে এখেত (ৰাঃ)ও সেই ধৰ্মত্যাগী (মুৰতদ) সকলৰ ওচৰলৈ গৈছিল। যেতিয়া বদাখাজা নামৰ ঠাইত গৈ এখেত (ৰাঃ) য়ে সেই সম্প্ৰদায়ৰ ওচৰত গৈছিল তেতিয়া হজৰত আকাশ্বা বিন মহচিন (ৰাঃ) আৰু হজৰত ছাবিত বিন ইকৰামক সাংবাদিক হিচাপে পঠাইছিল শত্ৰু সকলৰ খবৰ লৈ আনিবলৈ । এওঁলোকে দুয়োজন অশ্বাৰোহী আছিল। তালিহা আৰু তাৰ ভাই ছলমাৰ সৈতে এওঁলোক দুজনৰ দেখা হয়। এই দুজনে শত্ৰুসকলৰ ফালৰ পৰা সংবাদ দাতা হিচাপেই আহিছিল। হজৰত আকাশ্বাৰ সৈতে তালিহাৰ

আৰু হজৰত ছাবিতৰ সৈতে ছলমাৰ কাজিয়া হয় আৰু তেওঁলোকে দুজনে চাহাবা দুজনক শ্বহীদ কৰি দিয়ে।

আকৌ হজৰত ছালমা বিন ছালামা বদৰি চাহাবা আছিল। এখেত (ৰাঃ) মদিনাত আঁহজৰত (ছাঃ) ৰ ওপৰত ঈমান স্থাপন কৰোঁতা সকলৰ মাজত প্ৰথম ব্যক্তি আছিল। বয়াতে উকবা উলা আৰু ছানিয়াত অংশৰ গ্ৰহন কৰিছিল। তেখেত (ৰাঃ) য়ে যুদ্ধ বদৰ, অহুদ আদি কৰি সকলো যুদ্ধতেই ৰছুলে কৰিম (ছাঃ) ৰ সৈতে সহযোগ কৰিছিল। হজৰত ওমৰ (ৰাঃ) য়ে নিজৰ খিলাফত কালত হজৰত ছলমা বিন ছালামাক ইয়ামামাৰ শাসক নিযুক্ত কৰিছিল। ৰছুলে কৰিম (ছাঃ) য়ে হজৰত ছলমা বিন ছালামা আৰু হজৰত আবু ছাবৰা বিন আবি ৰহমৰ মাজত ভাতৃত্ব বন্ধন স্থাপন কৰি দিছিল। এখেত (ৰাঃ) য়ে সৰুতে এজন ইহুদী বিদ্যান ব্যক্তিৰ পৰা মক্কাৰ পৰা এজন নবী অহাৰ খবৰ শুনিছিল। সেয়ে যেতিয়া আঁহুযুৰ (ছাঃ) ৰ আৰ্বিভাৱ ঘটিছিল আৰু এখেত (ৰাঃ) য়ে খবৰ পাইছিল লগে লগে ঈমান আনিছিল। হজৰত উচমান (ৰাঃ) ৰ খিলাফত কালত যেতিয়া বিবাদে মূৰ দাঙিছিল তেতিয়া এখেত (ৰাঃ) য়ে অকলশৰীয়া (ইতেকাফ) হৈ থাকিছিল। ৭৪ বছৰ বয়সত এখেত (ৰাঃ) ৰ মৃত্যু হৈছিল।

আকৌ হজৰত জবৰ বিন আতিক (ৰাঃ) আছিল বদৰি চাহাবা। যুদ্ধ বদৰৰ পৰা আৰম্ভ কৰি সকলো যুদ্ধতেই ৰছুলে কৰিম (ছাঃ) ৰ লগত সহযোগ কৰিছিল। আঁহজৰত (ছাঃ) ৰ মৃত্যুৰ সময়লৈকে এখেতে মদিনাত আছিল। ৰছুলে কৰিম (ছাঃ) য়ে হজৰত জবৰ বিন আতিক আৰু খাববাব বিন আৰাতৰ মাজত ভাতৃত্ব বন্ধন স্থাপন কৰি দিছিল। হিজৰি ৬১ চনত এজিদ বিন মাবিয়াৰ সময়ত ৭১ বছৰ বয়সত জবৰ বিন আতিক (ৰাঃ)ৰ মৃত্যু হৈছিল। ইয়াৰ আন এজন চাহাবী আছিল হজৰত ছাবিত বিন ছাআলবা (ৰাঃ)। তেখেত ৭০ জন আনছাৰৰ সৈতে উকবা ছানিয়াত যোগ দিছিল। এখেত (ৰাঃ) য়ে যুদ্ধ বদৰ, অহুদ, খন্দক, হুদায়বিয়া, খয়বৰ আৰু মক্কা বিজয়ৰ লগত তায়েফ বিজয়ৰ সময়ছোৱাত আঁহজৰত (ছাঃ) ৰ লগত থাকিছিল। এখেত (ৰাঃ) যে তায়েফৰ যুদ্ধত শ্বহীদ হৈছিল।

আন এজন চাহাবী আছিল হজৰত ছুহেল বিন ওহাব। প্ৰথম যুগতেই ইছলাম গ্ৰহন কৰিছিল। ইছলাম গ্ৰহন কৰাৰ পিছত হাবশালৈ হিজৰত কৰি গৈছিল। যেতিয়া তোৰ জোৰ ভাৱে ইছলাম তবলিগ হবলৈ আৰম্ভ কৰিছিল তেতিয়া মক্কালৈ ঘুৰি আহিছিল। আকৌ আঁহজৰত (ছাঃ) ৰ পিছত মদিনালৈ গুচি গৈছিল। তেখেত (ৰাঃ) য়ে বদৰৰ যুদ্ধ, অহুদৰ যুদ্ধ, খন্দকৰ যুদ্ধ আদি কৰি সকলো যুদ্ধতেই আঁহজৰত (ছাঃ) ৰ লগত যোগ দিছিল। মদিনা চৰিফত তেখেত (ৰাঃ) ৰ মৃত্যু হৈছিল। আঁহজৰত (ছাঃ) য়ে তেখেতৰ নমাজে জানাজা পঢ়াইছিল।

হজৰত তফিল বিন হাৰিছ এজন চাহাবী আছিল। তেখেত (ৰাঃ) য়ে নিজৰ ভাই হজৰত উবেদা আৰু হজৰত হাবিবক লগত লৈ যুদ্ধ বদৰ, খন্দক অহুদ আদি কৰি অন্যান্ন সকলো যুদ্ধত আঁহজৰত (ছাঃ) ৰ লগত যোগ দিছিল। আঁহজৰত (ছাঃ) য়ে হজৰত তফিল বিন হাৰিছ আৰু হজৰত মনজৰ বিন মহম্মদৰ মাজত ভাতৃত্ব বন্ধন স্থাপন কৰি দিছিল। হিজৰি ৩২ চনত ৭০ বছৰ বয়সত তেখেত (ৰাঃ) ৰ মৃত্যু হৈছিল। আকৌ এজন চাহাবী আছিল হজৰত আবু ছালিদ আছিৰা বিন ওমৰ (ৰাঃ)। বদৰৰ পৰা আন আন যুদ্ধ সমুহত এখেত ৰছুলে কৰিম (ছাঃ) ৰ লগত আছিল। তেখেতৰ প্ৰতেক আব্দুল্লাহ তেখেতৰ (ৰাঃ) পৰা বৰ্ণনা কৰিছে যে নবী কৰিম (ছাঃ) য়ে গাধৰ মাংস খোৱাটো নিষেধ কৰিছিল। তেতিয়া গাধৰ মাংস বৰ্তনত ৰন্ধা হৈ আছিল, সেই বৰ্তন ওলটাই আমি মাংস পেলাই দিছিলো।

হজৰত ছাআলবা বিন হাতিব আনছাৰীও এজন চাহাবী আছিল। বদৰৰ যুদ্ধ আৰু অহুদৰ যুদ্ধ আৰু অন্যান্ন যুদ্ধতও অংশ গ্ৰহন কৰিছিল। তেখেত (ৰাঃ) ৰ বিষয়ে উল্লেখ আছে যে তেখেত (ৰাঃ) য়ে আঁহজৰত (ছাঃ) ক আবেদন জনাইছিল যে ইয়া ৰছুলুল্লাহ দোৱা কৰক যাতে আল্লাহ তায়লা মোক ধন মাল দান কৰে। তেখেত (ছাঃ) য়ে সেয়া অগ্ৰাজ্য কৰি দিছিল। কিন্তু তেখেত (ৰাঃ) য়ে তৃতীয় বাৰো এই আবেদনেই জনাইছিল। তেতিয়া আহুযুৰ (ছাঃ) য়ে তেখেত (ৰাঃ) ৰ বাবে দোৱা কৰিছিল। সেই দোৱাৰ ফজিলত ক্ৰমে হজৰত শ্বোবলা (ৰাঃ) ৰ ইমান ধন মিলিছিল যে পথাৰ ছাগলীৰ পালেৰে ভৰি গৈছিল। লাহে লাহে তেখেত (ৰাঃ) য়ে আছৰ আৰু জুমাৰ নমাজ পঢ়া এৰি দিছিল। এবাৰ আঁহজৰত (ছাঃ) য়ে কেইজনমান মানুহক জাকাতৰ কাৰণে তেখেত (ৰাঃ) ৰ ওচৰলৈ পঠাই দিয়ে তেতিয়া তেখেত (ৰাঃ) য়ে ছলনাৰে কথা কৈছিল।এই ঘটনা পৰিপ্ৰেক্ষিতেই জাকাত আদায় নিদিয়া সকলৰ কাৰণে কোৰ-আন কৰিমত আয়াত অৱতীৰ্ণ হৈছিল। হুযুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই ঘটনা সম্পৰ্কে মোৰ ধাৰণা হয় যে, এই জন আছিল বদৰি চাহাবা, যাৰ মুক্তিৰ

খবৰ আল্লাহ তায়লা দিছিল, সম্ভৱ নাছিল। সেই মৰ্মে আল্লামা ইবনে হজৰ আছকালানীয়ে অনুসন্ধানৰ আৰু মুৰত প্ৰমান কৰিছিল যে এয়া এটা নামৰে দুজন মানুহ আৰু এই ঘটনাটো ছাআলবা বিন আবি হাতিবৰ ঘটনা। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আল্লাহ উল্লামা ইবনে হজৰ আছকালানীক পুৰুস্কৃত কৰক কাৰণ তেখেতে এই সমস্যাটো বিতং ভাৱে বৰ্ণনা কৰি দিছে আৰু যি বদনাম সেই বদৰি চাহাবীৰ ওপৰত লাগিবলৈ লৈছিল তাৰ পৰা নিৰ্দোষ প্ৰমানিত হৈ গৈছে।

আকৌ এজন চাহাবী আছিল হজৰত ছঈদ বিন উচমান বিন খুলদাহ আনছাৰী (ৰাঃ)। বদৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল। এখেত (ৰাঃ) সেই ব্যক্তি সকলৰে এজন আছিল যি সকলৰ অহুদৰ যুদ্ধত ভৰি কাটি গৈছিল। আল্লাহ তায়লা এওঁলোক সকলোৰে নিমিত্তে কোৰ-আন মজিদত ক্ষমা অৱতীৰ্ণ কৰিছে। ৮০ বছৰ বয়সত তেখেত (ৰাঃ) ৰ মৃত্যু হৈছিল।

হজৰত আমৰ বিন উমিয়া নামৰ এজন চাহাবী আছিল। এখেত বদৰৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল আৰু অহুদৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল আৰু অহুদৰ যুদ্ধত শ্বহীদ হৈছিল। হজৰত হিশাম বিন আমৰৰ পৰা ৰোৱায়েত আছে যে আঁহুযুৰ (ছাঃ) ক অহুদৰ শ্বহীদ সকলক দফন কৰা সম্পৰ্কে প্ৰশ্ন কৰাত তেখেত (ছাঃ) য়ে কৈছিল ডাঙৰ কৈ কবৰ খান্দি দুজন বা তিনিজনকৈ এটা কবৰত ৰাখি দিয়া লগতে এয়া কৈছিল যে যিজনে কোৰ-আন বেছি জানিছিল তাক কবৰত আগতে নমাই লবা। হজৰত আমৰ বিন উমিয়াক দুইজনৰ আগতে কবৰত নমোৱা হৈছিল। হজৰত ওমৰ বিন আবি ছৰাহাও এজন চাহাবী আছিল। ৩০ হিজৰিত হজৰত উচমান (ৰাঃ) ৰ খিলাফত কালত মদিনাত এখেতৰ মৃত্যু হৈছিল। যুদ্ধ বদৰ, অহুদ, খন্দক আৰু আন আন যুদ্ধত এখেত (ৰাঃ)য়ে আঁহুযুৰ (ছাঃ) ৰ লগত যোগ দিছিল। হজৰত ইছমাআ বিন হুছেন এজন চাহাবী আছিল। এখেতে বদৰৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল।

আকৌ হজৰত ছঈদ বিন জায়েদ আল আশ্বাৰি নামৰ এজন চাহাবী আছিল। বদৰৰ যুদ্ধত এখেতে অংশ লৈছিল আৰু কিছুমানৰ ধাৰণা মতে এখেতে বয়াতে উকবাততো অংশ গ্ৰহন কৰিছিল। যুদ্ধ বদৰ, অহুদ, খন্দক আদি কৰি সকলো যুদ্ধতেই এখেত (ৰাঃ) য়ে হুযুৰ (ছাঃ) ৰ লগত থাকিছিল। ৰোৱায়েত আছে যে হজৰত ছঈদ বিন জায়েদে এটা নজৰানী তৰোৱাল আঁহজৰত (ছাঃ) ক উপহাৰ দিছিল। তেখেত (ছাঃ)য়ে সেই তৰোৱাল খন হজৰত মহম্মদ বিন মুছলিমাক দান দিছিল আৰু কৈছিল যে ইয়াৰ হতুৱাই আল্লাহৰ বাটত জিহাদ কৰিবা। যেতিয়া লোকে পৰস্পৰে মতানৈক্য কৰিব তেতিয়া ইয়াক পাথৰৰ ওপৰত মাৰিবা আৰু ঘৰলৈ গুচি যাবা অৰ্থাৎ কোনো ধৰণৰ বিবাদত চামিল নহবা।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আল্লাহ কৰক যাতে এই কথাবোৰৰ ওপৰত সেই মুছলমান সকলে আমল কৰোঁতা হওঁক, যি সকলে এজনে আন জনৰ ডিঙি কাটিবলৈ লৈছে। আৰু পৃথিৱীত শান্তি প্ৰতিষ্ঠিত হওঁক। আল্লাহ তায়লা সেই চাহাবা সকলৰ মৰ্যদা উন্নীত কৰক। লগতে আমাকও নেকি কৰাৰ, কোৰবাণী কৰাৰ, পৱিত্ৰ আনুগত্যৰে নিজৰ জীৱণ অতিবাহিত কৰাৰ তৌফিক দান কৰক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 23 Nov 2018**

**(BOOK POST PRINTED MATTER)**

**To**

---------------------------------------------------------------------------

---------------------------------------------------------------------------

---------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**